# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১।	ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপি আৰু মহাবিকাশ অঘাড়ি মিত্ৰজোঁটে আজি মহাৰাষ্ট্ৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ইস্তাহাৰ প্ৰকাশ কৰিব।

২।	চৰকাৰে এইবাৰৰ খাৰিফ বিপণন বৰ্ষত শুকুৰবাৰলৈ ১২০ লাখ মেট্ৰিকটনৰো অধিক ধান ক্ৰয় কৰিছে।

৩।	পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ এটা ৰে'ল ষ্টেচনত কালি হোৱা বোমা বিস্ফোৰণত কমেও ২৫ জন লোকে প্ৰাণ হেৰুৱাই আৰু ৫০ জন আহত হৈছে।

৪।	সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব।

***আৰু***

৫।	ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি এবেখাত অনুষ্ঠিত হ'ব।

০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তুংগত উঠিছে। এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকলে ভোটাৰসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডত দুখন নিৰ্বাচনী সভাত ভাষণ দিব আৰু এটা ৰোড শ্বোত ভাগ ল'ব। তেওঁ দিনৰ এক বজাত বোকাৰোৰ চন্দনকিয়াৰি বিধানসভা সমষ্টিৰ চান্দিপুৰ ফুটবল খেলপথাৰত প্ৰথমখন সভাত অংশ ল'ব। ইয়াৰ পাছত শ্ৰী মোদীয়ে বিয়লি প্ৰায় ৩ বাজি ১৫ মিনিটত গঢ়বাত দ্বিতীয়খন নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা হেমন্ত চোৰেনে তামাৰ, খিজ্ৰি আৰু ভৱনাথপুৰত কেইবাখনো নিৰ্বাচনী সভা সম্বোধন কৰিব। আনহাতে আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজস্বী যাদৱে চতৰাৰ হাণ্টাৰগঞ্জত দলৰ হকে প্ৰচাৰ চলাব। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱেও আজি দেওঘৰ, সাৰথ আৰু পোৰেয়াহাটত তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব। একেদৰে বিজেপিৰ ঝাৰখণ্ড নিৰ্বাচনৰ সহপ্ৰভাৰী তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছত্ৰা আৰু লাটেহাৰত দলৰ হৈ প্ৰচাৰ চলাব।

আৰ জে ডি, এ জে এছ ইউ আৰু বাও দলৰ নেতাসকলেও আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দলৰ হৈ প্ৰচাৰ চলাব। ৮১ জনীয়া ঝাৰখণ্ড বিধানসভাৰ বাবে ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি মুম্বাইত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ইস্তাহাৰ প্ৰকাশ কৰিব। শ্ৰী শ্বাহে লগতে বিদৰ্ভ অঞ্চলৰ জলগাঁও, বুলডেনা আৰু অমৰাৱতীত তিনিখন নিৰ্বাচনী সভা সম্বোধন কৰিব।

ইপিনে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেও আজি ৰাজ্যখনৰ আসন্ন নিৰ্বাচনৰ বাবে মহাবিকাশ অঘাড়ি মিত্ৰজোঁটৰ ইস্তাহাৰ প্ৰকাশ কৰিব। এই অনুষ্ঠানত অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক কে চি ৱেনুগোপাল, দলৰ মহাৰাষ্ট্ৰৰ তত্বাৱধায়ক ৰমেশ চেন্নিথলা, মহাৰাষ্ট্ৰ প্ৰদেশ কমিটিৰ সভাপতি নানা পটোলে, বিধায়িনি গোটৰ নেতা বালাচাহেব থোড়াত, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সভাপতি জয়ন্ত পাটিল, মুম্বাই কংগ্ৰেছৰ সভাপতি বৰ্ষা গায়কোৱাৰ্ড, শিৱসেনাৰ উদ্ধৱ ঠাকৰে গোটৰ সাংসদ সঞ্জয় ৰাৱত উপস্থিত থাকিব।

০০০০০

চৰকাৰে এইবাৰৰ খাৰিফ বিপণন বৰ্ষত শুকুৰবাৰলৈ ১২০ লাখ মেট্ৰিকটনৰো অধিক ধান ক্ৰয় কৰিছে আৰু ইয়াৰ পৰা পাঞ্জাবৰ ৬ লাখ ৫৮ হাজাৰৰো অধিক খেতিয়ক উপকৃত হৈছে। খেতিয়কসকলক ২৭ হাজাৰ ৯৯৫ কোটি টকাৰ ন্যূনতম সমৰ্থন মূল্য আদায় দিয়া হৈছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে চৰকাৰে উন্নতমানৰ এ-গ্ৰেট ধানৰ বাবে নিৰ্ধাৰণ কৰা প্ৰতি কুইণ্টলত দুহেজাৰ ৩২০ টকা ন্যূনতম সমৰ্থন মূল্যত ধান ক্ৰয় কৰি আছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে চলিত খাৰিফ বিপণন বৰ্ষত ১৮৫ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ এটা ৰে'ল ষ্টেচনত কালি হোৱা বোমা বিস্ফোৰণত কমেও ২৫ জন লোকে প্ৰাণ হেৰুৱাই আৰু ৫০ জন আহত হয়। বেলুচিস্তান লিবাৰেছন আৰ্মী নামৰ বিচ্ছিন্নতাবাদী গোটে এখন ৰে'লগাড়ী ক্‌ৱেটা ষ্টেচনৰ পৰা পেছাৱৰ অভিমুখে ৰাওনা হ'বলৈ ওলোৱাৰ সময়ত সংঘটিত এই আত্মঘাটী বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰিছে। গোটটোৱে কৈছে যে, প্ৰশিক্ষণ সম্পূৰ্ণ কৰি ক্‌ৱেটাৰ পৰা উভতি যাবলৈ ওলোৱা পাকিস্তানী সামৰিক বাহিনীৰ এটা দলক লক্ষ্য কৰি তেওঁলোকে এই বিস্ফোৰণ সংঘটিত কৰে। আৰক্ষীয়ে নিহত লোকসকলৰ ভিতৰত ১৪ গৰাকী সৈনিক আছে বুলি নিশ্চিত কৰিছে। শেহতীয়াকৈ বেলুচিস্তান প্ৰদেশত স্বাধীনতা আৰু স্থানীয় সম্পদৰ ওপৰত নিয়ন্ত্ৰণৰ দাবীত আক্ৰমণৰ ঘটনা বৃদ্ধি পাইছে।

০০০০০

কানাডাই ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰ প্ৰত্যক্ষ প্ৰবাহ ভিছা এচ ডি এছ কাৰ্যসূচী বন্ধ কৰাৰ কথা ঘোষণা কৰিছে। এছডিএছ হৈছে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অধ্যয়নৰ বাবে অনুমতি

বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা মূল পথ। দেশখনত গৃহ নিৰ্মাণৰ নাটনি আৰু সম্পদৰ টান দূৰ কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি কোৱা হৈছে। ২০১৮ চনত কানাডাৰ প্ৰব্ৰজন, শৰনাৰ্থী আৰু নাগৰিকত্ব বিভাগ আই আৰ চি চিয়ে এই এছ ডি এছ কাৰ্যসূচী আৰম্ভ কৰিছিল। মুঠ ১৪খন দেশৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অধ্যয়নৰ অনুমতিৰ আবেদন খৰতকীয়া হোৱাৰ স্বাৰ্থত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। এই দেশসমূহৰ ভিতৰত ভাৰত, ব্ৰাজিল, চীন, কলম্বিয়া, কোষ্টা ৰিকা, মৰক্কো, পাকিস্তান, পেৰু, ফিলিপাইনছ, ভিয়েটনাম আদি অন্যতম। এই কাৰ্যসূচীৰ অধীনত বিদেশী শিক্ষাৰ্থীসকলৰ আবেদন প্ৰক্ৰিয়া দ্ৰুত হৈছিল আৰু কানাডাৰ শিক্ষানুষ্ঠানসমূহত নামভৰ্তিৰ পথ প্ৰশস্ত হৈছিল। কানাডা চৰকাৰৰ এই সিদ্ধান্তই এছডিএছ কাৰ্যসূচীৰ অধীনস্থ দেশসমূহৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৱেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব। এই দিনটোত প্ৰতিগৰাকী ব্যক্তিয়ে সহজে জীৱন ৰক্ষাকাৰী প্ৰতিষেধক লাভ কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যকতাত আলোকপাত কৰা হয়। এনে ধৰণৰ টীকাকৰণৰ জৰিয়তে পলিঅ', প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুকে ধৰি ভালেমান ঘাটক ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত দেশৰ নিৰ্ধাৰিত টীকাকৰণ লক্ষ্যৰ ৯৩ দশমিক ২-৩ শতাংশক সামৰি লোৱা হৈছে। সাৰ্বজনীন টীকাকৰণ আঁচনিৰ জৰিয়তে পলিঅ', বসন্ত, হেপাটাইটিছ-বি কে ধৰি ১২ বিধ ৰোগৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা হয়। ইউ-উইন প'ৰ্টেলৰ জৰিয়তে হিন্দীকে ধৰি ১১টা আঞ্চলিক ভাষাত এতিয়া গৰ্ভৱতী মহিলা আৰু ১৭ বছৰ বয়সলৈকে শিশু আৰু কিশোৰক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল তথ্য অন্তৰ্ভুক্ত কৰা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰত এই মঞ্চত ৬ কোটি ৪৬ লাখ হিতাধিকাৰীৰ পঞ্জীয়ন হৈছে আৰু ইয়াৰ এক কোটি ৪ লাখ প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে আৰু ২৩ কোটি ৬ হেজাৰ পালি প্ৰতিষেধক প্ৰদান তথ্য লাভ কৰা হৈছে।

ভাৰতে ২০২১ বৰ্ষৰ জানুৱাৰীত আৰম্ভ কৰা কোভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সমগ্ৰ বিশ্বতে সফলৰূপে পৰিগণিত হৈছে। বিগত বৰ্ষৰ জানুৱাৰীত এই কাৰ্যসূচীৰ অধীনত ২২০ কোটিৰো অধিক প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ৯৭ শতাংশ যোগ্য হিতাধিকাৰীক কমেও এপালি প্ৰতিষেধক প্ৰদান কৰাৰ বিপৰীতে ৯০ শতাংশক দুপালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।

০০০০০

জম্মু-কাশ্মীৰৰ বাৰামুলা জিলাৰ ছ'প'ৰত কালি সুৰক্ষাৰ বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত এজন সন্ত্ৰাসবাদী নিহত হয়। অঞ্চলটোত এতিয়াও দুজন সন্ত্ৰাসবাদী লুকাই থকা বুলি আশংকা কৰা হৈছে। বিষয়াসকলে প্ৰকাশ কৰা মতে অঞ্চলটোত কেইজনমান সন্ত্ৰাসবাদী লুকাই থকা বুলি সন্ভেদ লাভ কৰাৰ পাছত স্থল সেনা, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ এটা যৌথ দলে অভিযান চলোৱাৰ সময়ত সন্ত্ৰাসবাদীয়ে দলটোক লক্ষ্য কৰি গুলীবৰ্ষণ কৰে। প্ৰত্যুত্তৰত সৈন্য দলটোৱেও গুলী চালনা কৰাত সংঘৰ্ষৰ সূত্ৰপাত হয়। এই সংঘৰ্ষত এজন সন্ত্ৰাসবাদী নিহত হয়।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি এবেখাত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত অনুষ্ঠিত হ'ব। ভাৰতে শুকুৰবাৰে অনুষ্ঠিত প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ তৃতীয়খন খেল বুধবাৰে চেঞ্চুৰিয়ানত আৰু চতুৰ্থ তথা অন্তিমখন খেল শুকুৰবাৰে জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

০০০০০

মহিলাৰ এচিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতা কাইলৈ বিহাৰৰ ৰাজগীৰত আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এই প্ৰতিযোগিতা উদ্বোধন কৰিব। প্ৰতিযোগিতাত ভাৰতসহ মূল ৬ খন দেশে অংশগ্ৰহণ কৰিব। ২০ নৱেম্বৰত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত আটাইকেইখন খেল নৱনিৰ্মিত ৰাজগীৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। প্ৰতিযোগতাত অংশগ্ৰহণ কৰাৰ বাবে ভাৰত, চীন, জাপান, মালয়েছিয়া, থাইলেণ্ড আৰু কোৰিয়াৰ দলকেইটা ইতিমধ্যে বুদ্ধগয়াত উপস্থিত হৈছে। কাইলৈ দিনৰ ১২ বাজি ১৫ মিনিটত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত জাপান কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

টেবল টেনিচত ভাৰতীয় খেলুৱৈ চিণ্ড্ৰেলা দাসে ইটালীৰ লিগনানো চাবিয়াডৰোত অনুষ্ঠিত WTT যুথ কন্টেণ্ডাৰ প্ৰতিযোগীতাৰ ১৫বছৰৰ অনুৰ্ধৰ মহিলাৰ একক শাখাত বিজয়ী খিতাপ দখল কৰিছে। চিণ্ড্ৰেলাই যোৱা নিশা ফাইনেলত ভাৰতৰে দিব্যাংশী ভৌমিকক ৩-২ ফলাফলত পৰাস্ত কৰে। তৃতীয় ছেটৰ অন্তত দিব্যংশীয়ে ২-১ ফলাফলত অগ্ৰগতি লাভ কৰি আছিল যদিও পাছত চিণ্ড্ৰেলাই বাকী দুটা ছেটত জয়লাভ কৰি খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ছেমিফাইনেলত ছিণ্ড্ৰেলাই আন এগৰাকী ভাৰতীয় খেলুৱৈ হান্সিনি মথানক

৩-২ ফলাফলত পৰাস্ত কৰিছিল আৰু দিব্যাংশীয়ে ৰিয়ানা ভূটাক ৩-১ ফলাফলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

ooooo

**সমাপ্ত**